# অসমীয়া হাস্য-ব্যংগ সাহিত্যৰ ৰূপৰেখা



সম্পাদক

ড° দীপ্তি বৰুৱা

ড° ৰণ্টু দত্ত

**ASAMIYA HASYA BYANGA SAHITYAR RUPREKHA:** A Collection of research articles edited by **Dr. Dipti Baruah, Dr. Rantu Dutta,** Published by **purbanchal prakash**, H. No.- 2, Seujee Path, Dr. B. N. Saikia Road, Wireless, Dispur, Guwahati - 781006.

₹. 350 only

---

ড° কৰবী ডেকা হাজৰিকাৰ তত্ত্বাৱধানত গৱেষণা কৰা গৱেষকসকলৰ সংস্থা **'দক্‌চিৰি'**ৰ উদ্যোগত প্ৰকাশিত।

## সম্পাদনা সমিতি

উপদেষ্টা : ড° কৰবী ডেকা হাজৰিকা
: ড° মামণি গগৈ বৰগোহাঁই

সম্পাদক : ড° দীপ্তি বৰুৱা
: ড° ৰণ্টু দত্ত

সদস্য : ড° বিভা দত্ত নেওগ
: ড° জীৱন কলিতা
: ড° চিত্ৰা দুৱৰা
: ড° চন্দ্ৰকমল চেতিয়া
: ড° জ্যোতিৰঞ্জন মিলি

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, বায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥
॥ মুদ্ৰণ ঃ অৰ্পিতাজ গ্ৰাফিক্স, গুৱাহাটী-৭৮১০০৩ ॥
॥ প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২৪ ॥
॥ বেটুপাতৰ শিল্পী ঃ মনজিৎ ৰাজখোৱা ॥
॥ © লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥
॥ মূল্য ঃ ৩৫০ টকা ॥
ISBN : 978-81-968498-9-4

◆ লম্বোদৰ বৰা আৰু সমসাময়িক অন্যান্য লেখকৰ হাস্য
ব্যংগ ৰচনা —ড০ বীণা শইকীয়া ১৪০
◆ কৃপাবৰী হাস্যৰসৰ স্বৰূপ ঃ এটি আলোচনা
—ড° জীৱন কলিতা ১৫৭
◆ পদ্মনাথ গোহাঞিবৰুৱাৰ সামাজিক নাটত
হাস্যৰসৰ জিলিঙনি —ড° মৌচুমী বৰুৱা ১৬৭
◆ চন্দ্ৰধৰ বৰুৱাৰ 'ৰঞ্জন' কাব্য পুথিত হাস্য-ব্যংগ
—ড° বিশ্বদীপা দাস ১৭৩
◆ দণ্ডিনাথ কলিতাৰ ৰচনাত হাস্য-ব্যংগ ঃ এটি সমীক্ষা
—ড° দীপ্তি বৰুৱা ১৮৪
◆ অতুলচন্দ্ৰ হাজৰিকাৰ ৰচনাত হাস্য-ব্যংগ ঃ এটি আলোচনা
—ড° চিত্ৰা দুৱৰা ২০০
◆ ড° লীলা গগৈৰ হাস্য-ব্যংগ ৰচনা ঃ এটি চমু আলোকপাত
—ড° দীপশিখা কলিতা ১১৫
◆ ভদ্ৰ বৰা আৰু ভৃংগেশ্বৰ শৰ্মাৰ হাস্য-ব্যংগ ৰচনা ঃ
এক বিশ্লেষণাত্মক আলোচনা (নিৰ্বাচিত ৰচনাৰ আধাৰত)
—তাম্ৰপালি ৰাজকোঁৱৰ ২৩০
◆ ভদ্ৰ বৰাৰ হাস্য-ব্যংগ সাহিত্য —ড° জ্যোতি ৰঞ্জন মিলি ২৪৯
◆ পুণ্য শইকীয়া আৰু বিকাশ বৰুৱাৰ ৰচনাত
হাস্য-ব্যংগৰ সমাহাৰ —ড° মন্দিৰা বৰঠাকুৰ শইকীয়া ২৫৭
◆ অসমীয়া গীতত হাস্য-ব্যংগৰ ৰেঙনি
—চুমি ফুকন , নয়নমণি ফুকন ২৬৫
◆ বিশেষ টোকা আৰু লেখক পৰিচিতি ২৭৫

# চন্দ্ৰধৰ বৰুৱাৰ ‘ৰঞ্জন’ কাব্য পুথিত হাস্য-ব্যংগ

ড° বিশ্বদীপা দাস

প্ৰাচীন অসমীয়া ছন্দোবদ্ধ কাব্য ৰচনাৰ সময়ৰ পৰাই অসমীয়া সাহিত্যত হাস্য-ব্যংগৰ ধাৰা প্ৰবাহিত হৈ আহিছে। স্বাভাৱিকতে হাস্য আৰু ব্যংগ দুটা পৃথক ধাৰা, কিন্তু উভয়ৰে মাজত ওতপ্ৰোত সম্পৰ্ক আছে। হাস্যৰস বুলিলে সাহিত্য তথা পৰিবেশ্য  কলাৰ এনে এক দিশ; সেই কাহিনী উপলক্ষত দৰ্শক পাঠক, শ্ৰোতাৰ মন আপোনা আপুনি সজীৱ বুদ্ধিনিষ্ঠ হাস্য ৰসেৰে পৰিপূৰ্ণ হৈ পৰে। ই কেৱল হাঁহিৰ খোৰাক যোগায়। হাস্যৰসৰ সংজ্ঞা বুলিলে স্বনাম ধন্য সাহিত্যিক লক্ষ্যধৰ চৌধুৰী *‘জীৱন জুখিবা হাঁহিৰে’* কথাষাৰলৈ মনত পৰে। আনহাতে, ব্যংগ হৈছে দৃশ্য, সাহিত্য আৰু পৰিবেশ্য কলাৰ আন এটা ধাৰা; য’ত সমাজৰ কু-অভ্যাস, মূৰ্খামি, গালি-গালাজ, সামাজিক কু-অভ্যাসসমূহক উপহাস কৰি সমাজৰ প্ৰকৃত স্বৰূপ সকলোৰে আগত উদঙাই দিয়া হয়। ‘ব্যংগ’ শব্দটোৰ পৰিসৰ অতি ব্যাপক। ইংৰাজী ভাষাৰ ‘Satire’ শব্দটো অসমীয়া ‘ব্যংগ’ৰ সমাৰ্থক হিচাপে ধৰা হয়।  ‘ব্যংগ’ৰ সাধাৰণ আভিধানিক অৰ্থ বিদ্ৰূপ বা শ্লেষ বুলি জনা যায়। ছেমুৱেল জনচনে এই শব্দক সংজ্ঞাবদ্ধ কৰিছে  এনেদৰে —

*“Satire (ব্যংগ) হৈছে অপৰাধ আৰু ধূৰ্তালিক ভৎৰ্সনা কৰি লেখা এবিধ পদ্য (Poem)”*।[1]

আমেৰিকান সমালোচক এম.এইচ. আব্ৰাহামচ্‌ৰ মতে —

*“Satire is the literary art of diminishing a suleyect by making it ridiculous and evoking toward it attitudes of amuse-ment, contempt, indignation or scorn.”*[2]

এই সংজ্ঞাসমূহৰ পৰা অনুধাৱন কৰিব পাৰি ‘ব্যংগ’ সাহিত্যৰ ক্ষেত্ৰত বিষয়টোৰে পাঠক আমোদ দিয়াৰ লগতে ঘৃণাৰো উদ্ৰেক কৰাব পাৰিব লাগিব।